মই আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লাম জুনুবী অৱস্থাত একে পাত্ৰৰ পৰা পানী লৈ গোছল কৰিছিলোঁ। তেখেতে মোক হায়েজ অৱস্থাত ইঝাৰ বান্ধি লবলৈ নিৰ্দেশ দিছিল আৰু মোৰ লগত আলিঙ্গন কৰিছিল।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লাম জুনুবী অৱস্থাত একে পাত্ৰৰ পৰা পানী লৈ গোছল কৰিছিলোঁ। তেখেতে মোক হায়েজ অৱস্থাত ইঝাৰ বান্ধি লবলৈ নিৰ্দেশ দিছিল আৰু মোৰ লগত আলিঙ্গন কৰিছিল। ইয়াৰ বাহিৰেও তেখেতে এতেকাফত থকা অৱস্থাত মূৰ উলিয়াই দিছিল আৰু মই হায়েজ অৱস্থাতে তেখেতৰ মূৰ ধুই দিছিলোঁ।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই তেওঁৰ আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কেইটিমান বিশেষ মূহুৰ্তৰ কথা উল্লেখ কৰিছে। যেনে- তেওঁ আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে একেলগে একেই পাত্ৰৰ পৰা পানী লৈ গোছল কৰিছিল। এইদৰে হায়েজ অৱস্থাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া তেওঁৰ ওচৰলৈ আহিব বিচাৰিছিল তেতিয়া তেওঁক নাভীৰ পৰা আঠুলৈকে ভালকৈ কাপোৰ পৰিধান কৰাৰ নিৰ্দেশ দিছিল, তাৰ পিছত সম্ভোগৰ বাহিৰে অন্যান্য আনন্দ উপভোগ কৰিছিল। এইদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মছজিদত এতেকাফত বহিছিল, তেতিয়া তেখেতে মছজিদৰ পৰা আঈশ্বাৰ হুজৰালৈ মূৰ উলিয়াই দিছিল আৰু তেওঁ হায়েজ অৱস্থাতে তেখেতৰ মূৰ ধুই দিছিল।

http://www.sunnah.global/hadeeth/as/show/3476